# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2025
**Time:** 1340 Hrs

# *Assamese Midday Bulletin*
# *Headlines*

**- - - - - - - - - - - - - -**

১। ছত্তিশগড়ৰ বাস্তাৰ অঞ্চলৰ ছুকমা জিলাত আজি নিৰাপত্তা বাহিনীৰে হোৱা গুলীয়াগুলীত কমেও ১৬ জন মাওবাদী নিহত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ শ্ৰোতাসকলৰ সৈতে মত বিনিময় কৰিব।

৩। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীত দুদিনীয়া পৰিৱেশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সন্মিলন ২০২৫ উদ্বোধন কৰে।

৪। ম্যানমাৰত কালি পুৱা হোৱা ৭ দশমিক ৭ ৰিখটাৰ স্কেল প্ৰাবল্যৰ ভূমিকম্পত নিহতৰ সংখ্যা ৬৯৪ লৈ বৃদ্ধি হৈছে। ম্যানমাৰলৈ ভাৰতে অপাৰেচন ব্ৰহ্মাৰ অধীনত প্ৰেৰণ কৰা ১৫ টন জৰুৰী সাহায্য-সামগ্ৰী কঢ়িয়াই নিয়া প্ৰথমখন বিমানে আজি য়াংগুনত অৱতৰণ কৰে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ছত্তিশগড়ৰ বাস্তাৰ অঞ্চলৰ ছুকমা জিলাত আজি নিৰাপত্তা বাহিনীৰে হোৱা গুলীয়াগুলীত কমেও ১৬ জন মাওবাদী নিহত হয়। এই ঘটনাত জিলা সংৰক্ষিত গাৰ্ডৰ দুজন জোৱান আহত হয়। চি আৰ পি এফ আৰু জিলা সংৰক্ষিত গাৰ্ডৰ এটা যুটীয়া দলে চোৰাংচোৱা সূত্ৰৰ খবৰৰ ভিত্তিত মাওবাদীৰ সন্ধানত কেৰলাপাল অঞ্চলত অভিযান চলায়। আজি পুৱাৰে পৰা নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ মাজত গুলীয়াগুলী আৰম্ভ হয়। পাছত ঘটনাস্থলীৰ পৰা ১৬ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ঘটনাস্থলীৰ পৰা এ কে 47, স্বয়ংক্ৰিয় ৰাইফল, ৰকেট লঞ্চাৰ আদিকে ধৰি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ হয়। অঞ্চলটোত তালাচী অভিযান চলি আছে।

ছত্তিশগড়ত যোৱা এবছৰত নিৰাপত্তা বাহিনীৰ গুলীত প্ৰায় ৪০০ মাওবাদী নিহত হৈছে। যোৱা ১০ দিনৰ ভিতৰতে ৫০ জন মাওবাদীয়ে সংঘৰ্ষত প্ৰাণ হেৰুৱাইছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে ছত্তিশগড়ৰ ছুকমা জিলাত আজি নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত ১৬ জন মাওবাদী নিহত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে উল্লেক কৰে যে, অভিযানত বুজন পৰিমাণৰ

অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত ভাৰতক নক্সাল মুক্ত কৰিব। শ্ৰী শ্বাহে বিদ্ৰোহীসকলক উদ্দেশ্যি কয়, যে অস্ত্ৰ আৰু হিংসাই কোনো পৰিৱৰ্তন নানে, বৰং শান্তি আৰু বিকাশৰ জৰিয়তেহে পৰিৱৰ্তন সম্ভৱ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ শ্ৰোতাসকলৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ সকলো নেটৱৰ্কে প্ৰচাৰ কৰাৰ উপৰি এয়াৰ নিউজ ৱেবছাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপটো শুনিবলৈ পোৱা যাব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলসমূহতো এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ পাছতে অনুষ্ঠানটোৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। আকাশবাণীৰ অন্যান্য কেন্দ্ৰসমূহেও মন কী বাতৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰ আৰু ছত্তিশগড় ভ্ৰমণ কৰিব। মহাৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে নাগপুৰলৈ গৈ স্মৃতি মন্দিৰ দৰ্শন কৰাৰ লগতে দীক্ষা ভূমিও ভ্ৰমণ কৰিব। ইয়াৰ পাছত তেওঁ নাগপুৰত মাধৱ নেত্ৰালয় প্ৰিমিয়াম চেণ্টাৰৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি এখন জনসভাতো ভাষণ দিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাজ্যখনত নতুনকৈ স্থাপন কৰা কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে চত্তিশগড়ৰ বিলাসপুৰত ৩৩ হাজাৰ কোটি টকাৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীত দুদিনীয়া পৰিৱেশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সন্মিলন ২০২৫ উদ্বোধন কৰে। এই সন্মিলনখনৰ মূল লক্ষ্য হৈছে পৰিৱেশ বিশেষজ্ঞ, নীতি-নিৰ্ধাৰক আৰু কৰ্মীসকলক একত্ৰিত কৰি পৰিৱেশ সম্পৰ্কীয় জটিল বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা আৰু কাৰ্যকৰী সমাধান বিচাৰি উলিওৱা। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱ, সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বিক্ৰম নাথ আৰু এন জি টিৰ অধ্যক্ষ ন্যায়াধিশ প্ৰকাশ শ্ৰীবাস্তৱ সন্মিলন খনত উপস্থিত থাকে। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ উদ্যোগত এই ৰাষ্ট্ৰীয় সন্মলিনখনৰ আয়োজন কৰা হৈছে। এই সন্মিলনখনত মুঠ ৪খন কাৰিকৰী অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশন কেইখনে জলবায়ু পৰিৱৰ্তন, বহনক্ষম উন্নয়ন, প্ৰদূষণ নিয়ন্ত্ৰণ আদি পৰিৱেশ সম্বন্ধীয় কেইবাটও বিষয় সন্দৰ্ভত আলোচনা কৰিব।

০০০০০

ম্যানমাৰত কালি পুৱা হোৱা ৭ দশমিক ৭ ৰিখটাৰ স্কেল প্ৰাবল্যৰ ভূমিকম্পত নিহতৰ সংখ্যা ৬৯৪ লৈ বৃদ্ধি হৈছে। দেশখনৰ এজন সামৰিক নেতাই সংবাদ মাধ্যমক এই তথ্য জনায়। অৱশ্যে আমেৰাকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ মতে নিহতৰ সংখ্যা ১০ হেজাৰ হ'ব পাৰে। থাইলেণ্ডতো কালি প্ৰৱল জোকাৰণি অনুভূত হয়। দেশখনত কমেও ১০

জন লোক নিহত আৰু ৯ জন লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। ভূমিকম্পৰ পাছতে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পায়েতংটাৰ্ন শ্বিনা ৱাট্ৰাই বেংককক জৰুৰীকালীন অঞ্চল হিচাপে ঘোষণা কৰে। দুয়োখন দেশতে উদ্ধাৰ অভিযান চলি আছে আৰু হতাহতৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

ooooo

বিধবংসী ভূমিকম্পৰ পাছত ম্যানমাৰলৈ ভাৰতে অপাৰেচন ব্ৰহ্মৰ অধীনত প্ৰেৰণ কৰা ১৫ টন জৰুৰী সাহায্য-সামগ্ৰী কঢ়িয়াই নিয়া প্ৰথমখন বিমানে আজি য়াংগুনত অৱতৰণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দেশখনলৈ অচিৰেই আন দুখন বিমানত সাহায্য-সামগ্ৰী প্ৰেৰণ কৰা হ'ব। ভাৰতীয় বায়ু সেনা-বাহিনীৰ C-130J বিমানখনে দেশখনলৈ তম্বু, ব্লেংকেট, শ্লিপিং বেগ, খাদ্যৰ টোপোলা, স্বাস্থ্যৰক্ষাৰ সা-সজুলি, জেনেৰেটৰ আৰু অত্যাৱশ্যকীয় ঔষধপাতি কঢ়িয়াই নিছে। লগতে পেৰাচিটামল, এণ্টিবায়'টিক, ছিৰিঞ্জ, গ্লোভছ, বেণ্ডেজ আদি ঔষধ তথা চিকিসা সামগ্ৰী প্ৰেৰণ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কয়, যে বিমানখনত উদ্ধাৰকাৰী আৰু চিকিৎসা কৰ্মীৰ দলো ম্যানমাৰলৈ গৈছে। তেওঁ কয়, যে চৰকাৰে সামগ্ৰিক পৰিস্থিতিত নজৰ ৰাখিব আৰু প্ৰয়োজনত অধিক সাহায্য-সামগ্ৰী দেশখনলৈ প্ৰেৰণ কৰিব।

ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে প্ৰকাশ কৰে যে, বিধবংসী ভূমিকম্পৰ পাছত ভাৰতৰ পৰা সাহায্য-সামগ্ৰী যাতে সোনকালে আহি পায়, তাৰ বাবে দূতাবাসে ম্যানমাৰ প্ৰশাসনৰ সৈতে যোগাযোগ ৰাখি আছে। দূতাবাসে ম্যানমাৰত থকা ভাৰতীয়সকলৰ লগতো সঘনাই যোগাযোগ ৰক্ষা কৰি আছে। দূতাবাসে ভাৰতীয়সকলৰ বাবে যোগাযোগ নম্বৰ +95-95 41 96 02 মুকলি কৰিছে।

ooooo

ইউক্ৰেইনৰ মধ্যৱৰ্তী চহৰ নিপ্ৰ 'ত কালি নিশা ৰাছিয়াৰ গণ ড্ৰ 'ণ আক্ৰমণত কমেও চাৰিজন লোক নিহত হোৱাৰ লগতে আন ১৯জন লোক আহত হয় । তথ্য অনুসৰি ৰাছিয়াই মুঠ ২০খনতকৈও অধিক ড্ৰ 'ণ প্ৰেৰণ কৰিছিল আৰু তাৰে অধিকসংখ্যক ড্ৰ 'ণ ধ্বংস কৰা হৈছিল। এই আক্ৰমণৰ পাছতেই এখন ৰেষ্টুৰেণ্ট আৰু কেবাটাও আবাসিক বাসগৃহত জুই জ্বলি উঠে । অৱশ্যে ৰাছিয়াৰ সামৰিক বাহিনীয়ে এই সন্দৰ্ভত কোনো মতামত আগবঢ়োৱা নাই। ইপিনে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ 'ল'ডিমিৰ জেলেনস্কিয়ে ভিডিঅ 'যোগে দিয়া ভাষণত ৰাছিয়াই ইউক্ৰেইনৰ শক্তি আন্তঃগাঁথনি ধ্বংস কৰাৰ লক্ষ্য লোৱা বুলি অভিযোগ উত্থাপন কৰে।

ooooo

বেংগালুৰুৰ কেনগেৰিৰ ছাইত অনুষ্ঠিত ইণ্ডিয়া গ্ৰাঁ প্ৰী-ৰান ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত অসমৰ অম্লান বৰগোহাঁয়ে স্বৰ্ণ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে ২০ দশমিক ৮-৩ ছেকেণ্ডত এই দৌৰ সম্পন্ন কৰে। পূৰ্বে ৰাষ্ট্ৰীয় শাখাত অম্লান বৰগোহাঁয়ে ২০ দশমিক ৫-২ ছেকেণ্ডত দৌৰি এই শাখাত অভিলেখ গঢ়িছিল। আনহাতে এই প্ৰতিযোগিতাতে খেলুৱৈ গৰাকীয়ে ১০ দশমিক ৪-৩ ছেকেণ্ডত ১০০ মিটাৰ দৌৰ সম্পন্ন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে। চেন্নাইয়ে ১৯৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাচিন ৰবীন্দ্ৰই সৰ্বাধিক ৪১ ৰাণ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ জছ্ হেজেলউদে ৩টা উইকেট দখল কৰাৰ উপৰি য়ছ্ দায়াল আৰু লিয়াম লিভিংষ্টনে দুটাকৈ উইকেট লাভ কৰে।

০০০০০

জৰ্দানৰ আম্মানত অনুষ্ঠিত এছিয়ান ৰেষ্টলিং চেম্পিয়নশ্বিপত ভাৰতীয় মল্লযুঁজাৰু মনীষা ভানৱালাই ২০২১ চনৰ পাছত দেশৰ হৈ প্ৰথমটো সোণৰ পদক জয় কৰাৰ লগতে অন্তিম পংঘলে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মনীষাই মহিলাৰ ৬২ কিলোগ্ৰাম শাখাৰ ফাইনেলত কোৰিয়াৰ অ'কে জে কিমক ৮-৭ পইণ্টত পৰাস্ত কৰে। অন্তিম পংঘলে ৫৩ কিলোগ্ৰাম শাখাত টাইপেইৰ প্ৰতিদ্বন্দ্বীক  পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতীয় মল্লযুঁজাৰুসকলে বৰ্তমানলৈকে এটা সোণ, এটা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। পুৰুষৰ ফ্ৰি ষ্টাইল প্ৰতিযোগিতাসমূহ কাইলৈ আৰম্ভ হ'ব।

০০০০০

সমাপ্ত